**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-09-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি অনুষ্ঠিত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত নলবাৰীৰ এগৰাকী ছাত্ৰীয়ে পৰীক্ষাগৃহত প্ৰৱেশৰ পূৰ্বে চলোৱা তালাচী সন্দৰ্ভত উত্থাপন কৰা অভিযোগ সম্পৰ্কে অসম আৰক্ষীক তদন্তৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰীক্ষা স্বচ্ছ আৰু নিকাকৈ অনুষ্ঠিত কৰাটোৱেই চৰকাৰৰ লক্ষ্য যদিও কোনো লোকৰে মৰ্যাদা আৰু সন্মানকলৈ আপোচ কৰা নহ'ব। বিষয়টো চিন্তনীয় হোৱা হেতুকে অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ সৈতে আলোচনা কৰি ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, নৱ-প্ৰজন্মৰ কল্যাণৰ হকে এই পৰীক্ষা নিকা ৰূপত আৰু স্বচ্ছতাৰে আয়োজন কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ অনিয়মক প্ৰশ্ৰয় দিয়া নহ'ব। একে সময়তে মহিলা প্ৰাৰ্থীৰ শালীনতা, মৰ্যাদা ৰক্ষা নিশ্চিত কৰাটোও চৰকাৰৰ অন্যতম লক্ষ্য বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মহিলাৰ সৈতে জড়িত তালাচী চলোৱা সন্দৰ্ভত আদালতে দিয়া প্ৰাসংগিক ৰায় আৰু মহিলা আয়োগৰ নিৰ্দেশনা অনুসৰি পৰৱৰ্তী পৰীক্ষাৰ পূৰ্বে এটা মানসন্মত বিধি প্ৰস্তুত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইপিনে, উত্তৰ লখিমপুৰত পৰীক্ষাৰ পূৰ্বে চলোৱা তালাচীৰ সময়ত এগৰাকী পৰীক্ষাৰ্থীৰ অন্তৰ্বাসৰ ভিতৰৰ পৰা নকলৰ সামগ্ৰী উদ্ধাৰ কৰা বুলিও জানিব পৰা গৈছে।

আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে মুখ্যমন্ত্ৰীৰ এই নিৰ্দেশ সন্দৰ্ভত ইতিমধ্যে তদন্তৰ ঘোষণা কৰা হৈছে বুলি প্ৰকাশ কৰাৰ লগতে তালাচী সন্দৰ্ভত পৰৱৰ্তী পৰীক্ষাৰ পূৰ্বে নীতি-নিৰ্দেশনা জাৰি কৰা হ'ব বুলিও জানিবলৈ দিছে।

০০০০০০০

ৰাজ্যৰ মহাবিদ্যালয় সমূহৰ স্নাতক পাঠ্যক্ৰমত দক্ষতা বিকাশৰ শিক্ষা অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰে। কোকৰাঝাৰ বালিকা মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত আজি মুখ্য অতিথি হিচাপে উপস্থিত থাকি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চলিত শিক্ষা বৰ্ষৰ পৰা ৰাজ্যৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত সকলো ধৰণৰ দক্ষতা বিকাশৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে নিজৰ দক্ষতা বিকাশ কৰি জীৱন কৌশল আয়ত্ব কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নীত কৰাৰ বাবে ভৈয়াম জনজাতি কল্যাণ বিভাগৰ অধীনত পুঁজি আৱণ্টন দিয়া হ'ব বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে পাছত কোকৰাঝাৰৰ বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয় পৰিদৰ্শন কৰে। তেওঁ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপস্থিতিত শিক্ষা বিভাগৰ বিষয়ববীয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়।

০০০০০০০০

অসমে ২০৩০ চনৰ ভিতৰত সেউজ শক্তিৰ জৰিয়তে ৩ হেজাৰ মেগাৱাটতকৈও অধিক শক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে সেউজ ভৱিষ্যতৰ

দিশত ৰাজ্যৰ অৰদানে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাৰ কথা প্ৰকাশ কৰি কয় যে, অজীৱাশ্ম শক্তিৰ উৎস ব্যৱহাৰৰ জৰিয়তে দেশৰ নেট জিৰো লক্ষ্যক আগুৱাই নিয়াৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত শ্ৰেষ্ঠ সন্মান লাভ কৰিছে। উল্লেখযোগ্য যে, ভাৰতে ২০৩০ চনৰ ভিতৰত অজীৱাশ্ম উৎসৰ পৰা আহৰণ কৰা শক্তিৰে বিদ্যুৎ শক্তি সামৰ্থ্য ৫০০ গিগাৱাটলৈ বৃদ্ধিৰ লক্ষ্য লৈছে আৰু ইয়াৰ বাবে ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগত অনুমোদন জনাইছে। কেন্দ্ৰীয় নতুন আৰু নবীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে বিশ্ব সৰ্ববৃহৎ গণতন্ত্ৰ আৰু দ্ৰুত বিকশিত ৰাষ্ট্ৰ হিচাপে ভাৰতৰ নবীকৰণযোগ্য শক্তি আহৰণৰ যাত্ৰাই অন্য উন্নয়নশীল অৰ্থনীতিৰ ৰাষ্ট্ৰসমূহক বহনক্ষমতা আহৰণৰ পথত অগ্ৰসৰ হ'বলৈ উৎসাহিত কৰিব। ভাৰতে ২০৭০ চনৰ ভিতৰত শূণ্য কাৰ্বন নিগমনৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰি আছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে শক্তিশালী নীতি নিৰ্ধাৰণ আৰু আন্তঃৰাষ্ট্ৰীয় অংশীদাৰিত্বৰ ফলত দেশৰ নবীকৰণযোগ্য শক্তি আহৰণৰ যাত্ৰা সূচল হৈ উঠিছে। উদাহৰণস্বৰূপে মন্ত্ৰীগৰাকীয়ে ভাৰত আৰু ফ্ৰান্সে অংশীদাৰিত্বৰে লোৱা আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতাৰ পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে ২০১৫ চনৰ পেৰিচ জলবায়ু পৰিৱৰ্তন শীৰ্ষ সন্মিলনত গ্ৰহণ কৰা সেউজ পৃথিৱী গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা সংকল্প পূৰণৰ দিশে পদক্ষেপ লোৱা ভাৰতেই একমাত্ৰ ৰাষ্ট্ৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মাহত উল্লেখ কৰিছিল।

০০০০০০০০

বিধানসভা সমষ্টি ভিত্তিত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত মন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাটত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। নাৰী সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই অভিলাসী আঁচনিখন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অহা ১৯ চেপ্তেম্বৰত গুৱাহাটীৰ পৰা কেন্দ্ৰীয়ভাৱে মুকলি কৰিব। মন্ত্ৰী শ্ৰীবৰাই বোকাখাটত অনুষ্ঠানটিত অংশগ্ৰহণ কৰিবলগীয়া ৰাইজৰ সা-সুবিধাৰ যাৱতীয় ব্যৱস্থা কৰিবৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। পৰ্যালোচনা বৈঠকত জিলাখনৰ অতিৰিক্ত আয়ুক্তসকলকে ধৰি প্ৰশাসনীয় কেইবাজনো বিষয়া উপস্থিত থাকে।

০০০০০০০০

**সমাপ্ত**